# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-04-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin

::::::: ::::::: :::::::: ::::::::

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি বিজেপি মিত্ৰজোঁটৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙৰ নিৰ্বাচনী প্ৰচাৰ।

২। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৮৫ বছৰৰ উৰ্ধৰ নাগৰিক আৰু বিশেষভাৱে সক্ষমসকলৰ বাবে বাসগৃহৰ পৰা ডাক বেলটযোগে ভোটদান প্ৰক্ৰিয়া আৰম্ভ।

৩। নিৰ্বাচন আয়োগৰ **সুবিধা** প'ৰ্টেলযোগে ৭৩ হাজাৰৰো অধিক আবেদন লাভ। অসমৰ পৰা দুহেজাৰ ৬০৯ খন আবেদন দাখিল।

৪। নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীৰ ৰঙালী বিহু পালনৰ ব্যাপক প্ৰস্তুতি। *আৰু*

৫। আই পি এলৰ আজি প্ৰথমখন খেলত মুম্বাই ইণ্ডিয়ানছৰ ডেলহি কেপিটেলছক জয়ৰ বাবে ২৩৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ। দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু গুজৰাট টাইটানছ মুখামুখি।

০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ ১২ দিন থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজেপি মিত্ৰজোঁটৰ কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যাপ্ৰসাদ তাছাৰ হৈ গোলঘাট জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে হোজাই আৰু দেৰগাঁৱত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। এই কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা, অজন্তা নেওগ, বিধায়ক ভৱেন্দ্ৰনাথ ভৰালীৰ উপৰি মিত্ৰজোঁটৰ কেইবাগৰাকী নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকী আজি বিয়লি নিৰ্বাচনী প্ৰচাৰৰ বাবে ডিব্ৰুগড়ত উপস্থিত হোৱাৰ কথা।

একেদৰে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ লাইপুলি মৰাণকাৰী গাঁও, মহাকালি চাহ বাগিচা আৰু নেপালি খেলপথাৰত প্ৰচাৰ চলায়। দৰং-ওদালগুৰি লোকসভা সমষ্টি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিলীপ শইকীয়াই আজি সমষ্টিটোৰ বিভিন্ন অঞ্চলত আয়োজিত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি ডিমৌ ৰজাবাৰী বাগিচাত প্ৰচাৰ চলায়।

শ্ৰী গগৈয়ে প্ৰচাৰ অভিযানত ভাগ লৈ মনোনয়ন দাখিলৰ দিনাই জয়ী হোৱা বুলি মন্তব্য কৰে। কংগ্ৰেছ দলৰ আন এগৰাকী নেতা তথা প্ৰাক্তন মন্ত্ৰী এটোৱা মুণ্ডাই গহপুৰৰ বিভিন্ন চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত অংশ লয়। আনহাতে, বিপিএফ দলৰ খামপা বৰগয়াৰীয়ে আজি কোকৰাঝাৰৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়।

অসম জাতীয় পৰিষদ দলৰ নেতা তথা বিৰোধী ঐক্যমঞ্চৰ ডিব্ৰুগড় সমষ্টিৰ সমৰ্থিত প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে আজি বগীবিল গাঁও পঞ্চায়ত এলেকা, তিলৈ গ্ৰাম বজাৰ প্ৰেক্ষাগৃহ, কপৌ গাঁও খোৱাঙকে ধৰি কেইবাটাও স্থানত প্ৰচাৰ চলায়। ইপিনে বিৰোধী ঐক্যমঞ্চৰ অংশীদাৰ হিচাপে চি পি আই এম এল দলেও লুৰীণজ্যোতি গগৈৰ সমৰ্থনত তিনিচুকীয়াৰ চাহ জনগোষ্ঠী অধ্যুষিত অঞ্চলত প্ৰচাৰ চলায়।

তৃতীয় পৰ্যায়ত বৰপেটা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি সমষ্টিটোক কংগ্ৰেছ দলৰ প্ৰাৰ্থী দ্বীপ বায়নে বৰপেটাত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ইপিনে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণিভূষণ চৌধুৰীয়ে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত সৰভোগত বিজেপিৰ এখন পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰে।

গোলাঘাট জিলাৰ মেৰাপানীত আজি কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং, সম্পাদক পৃথ্বীৰাজ সিং, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাকে ধৰি ভালেসংখ্যক নেতাই  কাজিৰঙা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী ৰোজলীনা তিৰ্কীৰ হৈ প্ৰচাৰ চলায়। এই কাৰ্যসূচীত বিধায়ক অখিল গগৈ আৰু নন্দিতা দাস উপস্থিত থাকে। ইপিনে, লখিমপুৰ সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাই ৰাইজৰ সৈতে আজি মত-বিনিময় কৰে।

উল্লেখযোগ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মঙলবাৰে তিনিচুকীয়াত এটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব।

ইপিনে, আম আদমী পাৰ্টিৰ নেত্ৰী তথা দিল্লী চৰকাৰৰ মন্ত্ৰী আতিশীয়েও কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। তেওঁ কাইলৈ দুলীয়াজানত আপৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে বিয়লি সংবাদ মাধ্যমৰ সৈতে মত-বিনিময় কৰিব। ৯ এপ্ৰিলত তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

০০০০

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে ৰাজ্যজুৰি ভোটদাতাসকলৰ বাবে সজাগতা কাৰ্যসূচীৰ আয়োজনকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে, প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষমসকলৰ বাসগৃহৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছে।  শোণিতপুৰ সংসদীয় সমষ্টিৰ লোকসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম শ্ৰেণীৰ বাছনিপ্ৰাপ্ত লোকসকলক পোষ্টেল বেলট পেপাৰৰ জৰিয়তে ঘৰে ঘৰে গৈ ভোটগ্ৰহণ আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া কাইলৈৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। শোণিতপুৰ সংসদীয় সমষ্টিত দুই হাজাৰ ৯০০ গৰাকী ভোটদাতাই  বাসগৃহৰ পৰা ভোটদান কৰিব।

বাক্সা জিলাৰ বিভিন্ন ঠাইত আজি নিৰ্বাচনী সজাগতামূলক কেইবাখনো সভা অনুষ্ঠিত হয়। ইয়াৰে কেইখনমান সভাত সংগীত শিল্পী মণিষা হাজৰিকাৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ লয়। কাৰ্যসূচীসমূহৰ জৰিয়তে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ গুৰুত্ব সন্দৰ্ভত জনসাধাৰণক সজাগ কৰা হয়। তামুলপুৰ বাণিজ্য

মহাবিদ্যালয়ৰ বাকৰিতো চাৰি শতাধিক শিক্ষাৰ্থীক লৈ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ অৰ্থাৎ ছুইপ বাহনৰ সহায়ত সজাগতামূলক সভাৰ আয়োজন কৰা হয়। তামুলপুৰ জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে।

কামৰূপ নিৰ্বাচনী জিলাত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে তৎপৰতা অব্যাহত ৰাখিছে। জিলা আয়ুক্ত কীৰ্তি জল্লীয়ে প্ৰকাশ কৰা মতে, কামৰূপ নিৰ্বাচনী জিলাৰ ৩টা বিধানসভা সমষ্টি ক্ৰমে চমৰীয়া, বকো-ছয়গাঁও আৰু পলাশবাৰী গুৱাহাটী লোকসভা সমষ্টিত আৰু হাজো-শুৱালকুছি সমষ্টি বৰপেটা লোকসভা সমষ্টিৰ অধীনত আছে। ৭ মে'ত হ'বলগীয়া এই নিৰ্বাচনত মুঠ ৮ লাখ ৩৪ হাজাৰ ৪৬৮ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ভোটগ্ৰহণ স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ সকলো প্ৰস্তুতি লোৱা হৈছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

গোলাঘাট জিলাৰ হেমপ্ৰভা বৰবৰা মহিলা মহাবিদ্যালয়ৰ উদ্যোগত তথা জিলাখনৰ ছুইপ কোষ আৰু জিলা ক্ৰীড়া বিভাগৰ সহযোগত আজি গোলাঘাটত ৰাজ্যিকভিত্তিত মহিলা হাফ মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। লোকসভা নিৰ্বাচনত ভোটদাতাৰ সজাগতা বৃদ্ধিৰ বাবে আয়োজিত ধাৱিকা শীৰ্ষক এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৌৰবিদে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত নগাঁও জিলাৰ পাহি কেওটে প্ৰথম স্থান অধিকাৰ কৰে।

ইপিনে, জিলা প্ৰশাসনসমূহে নিৰ্বাচনী আচৰণ বিধি উলংঘা ৰোধ কৰাৰ বাবে কঠোৰ পদক্ষেপ লৈছে।

০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছৰে পৰা যোৱা ২০ দিনৰ ভিতৰত **সুবিধা** প'ৰ্টেলযোগে ৭৩ হাজাৰৰো অধিক আবেদন লাভ কৰা হৈছে বুলি ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰে। এইক্ষেত্ৰত অসমৰ পৰা ২ হেজাৰ ৬০৯ খন আবেদন লাভ কৰা হৈছে। উল্লেখযোগ্য যে সুবিধা প'ৰ্টেলৰ জৰিয়তে নিৰ্বাচনী প্ৰচাৰৰ সময়ত সমাৰেশৰ আয়োজন, ৰাজনৈতিক দলৰ অস্থায়ী কাৰ্যালয় মুকলি, ঘৰে ঘৰে প্ৰচাৰ, ভিডিঅ' ভেন, হেলিকপ্টাৰ, বাহনৰ অনুজ্ঞাপত্ৰ লাভ কৰা আৰু প্ৰচাৰ সামগ্ৰী বিতৰণ কৰাৰ অনুমতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

আয়োগে কয় যে, এই পৰ্যন্ত লাভ কৰা ৭৩ হাজাৰ ৩৭৯ আবেদনৰ ভিতৰত ৪৪ হাজাৰ ৬২৬ খন আবেদন গ্ৰহণ কৰা হৈছে। আনহাতে, প্ৰায় ১১ হাজাৰ ২০০ খন আবেদন অগ্ৰাহ্য কৰা হৈছে আৰু ১০ হাজাৰ ৮১৯ খন আবেদন নাকচ কৰা হৈছে। আয়োগে কয় যে, নিৰ্বাচনী ব্যৱস্থাপনাৰ স্বচ্চতা বজাই ৰখাৰ ক্ষেত্ৰত সুবিধা প'ৰ্টেলে সহায়কৰ ভূমিকা পালন কৰিছে। আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি সুবিধা পোৰ্টেলৰ জৰিয়তে তামিলনাডুৰ পৰা সৰ্বাধিক ২৩ হাজাৰ আবেদন লাভ কৰা হৈছে। এইক্ষেত্ৰত প্ৰায় ১২ হাজাৰ আবেদনৰে পশ্চিমবংগ দ্বিতীয় আৰু প্ৰায় ১০ হাজাৰ আবেদনৰে মধ্য প্ৰদেশ তৃতীয় স্থানত আছে। আয়োগে লগতে প্ৰকাশ কৰা মতে, সুবিধা পৰ্টেল স্বতন্ত্ৰ, নিৰপেক্ষ আৰু স্বচ্ছ নিৰ্বাচনৰ গণতান্ত্ৰিক আদৰ্শ মানি সকলোকে সমান সুযোগ প্ৰদানৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে বিকাশ সাধন কৰা এটা প্ৰযুক্তি। ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰৰ অনুমতিৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে অনলাইন আবেদন তথা অনুৰোধ কৰিব পাৰে। এইক্ষেত্ৰত সকলো পক্ষকে সমান সুযোগ উপলব্ধ কৰোৱাৰ বাবে অফলাইন পদ্ধতিৰেও আবেদন কৰিব পৰা যায় বুলিও আয়োগে প্ৰকাশ কৰে।

০০০০

নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীয়ে হেঁপাহৰ ৰঙালী বিহু পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰিবলৈ সাজু হৈছে। বিহুলৈ মাজত ৫ দিন থকা অৱস্থাত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিভিন্ন অঞ্চলত পৰম্পৰা অনুসৰি বিহু পালনৰ বাবে ৰাইজ সাজু হোৱাৰ সমান্তৰালভাৱে মঞ্চ বিহু উদযাপনৰো প্ৰস্তুতি চলিছে। বিহু হুঁচৰী, নাচৰ আখৰাৰ লগতে সংগীত শিল্পীসকলেও বিহু মঞ্চত জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে পূৰ্ণগতিত আখৰা চলাইছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু আৰু মুকলি বিহু উদযাপন কৰা হ'ব। ইপিনে, চৰাইদেউ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পহিলা বহাগত হ'বলগীয়া চতুৰ্দশ বাৰ্ষিক মুকলি বিহুৰ লাইখুঁটা আজি মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগনত স্থাপন কৰা হয়। উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। নলবাৰী জিলাৰ বালিতাৰাত সাদিনীয়াকৈ বিহুনাচ আৰু লোকবাদ্যৰ কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত সদৌ অসম ছাত্ৰ সন্থাৰ লগতে অন্যান্য অনুষ্ঠানৰ উদ্যোগত কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০

মানৱ সভ্যতাৰ দ্ৰুত বিকাশৰ নেতিবাচক প্ৰভাৱ জীৱজগতৰ ওপৰত বিভিন্ন প্ৰভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ ফলত গছ-গছনিৰ বিভিন্ন প্ৰজাতি তথা ভালেমান জীৱ প্ৰজাতি বিলুপ্তপ্ৰায় হৈছে। তেনেক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে ৰাজ্যখনৰ অগ্ৰণী প্ৰকৃতিপ্ৰেমী সংগঠন প্ৰকৃতিপ্ৰেমী মঞ্চই ৰাজ্যৰ বিভিন্ন স্থানত চৰাইৰ বাহ সংস্থাপন কৰি আহিছে। **গছে-গছে থাকে যদি পক্ষীৰ আলয়, ধৰালৈ নাহে কাহানিও প্ৰলয়** শীৰ্ষক বাণীৰে সংগঠনটোৱে আজি বটদ্ৰৱা থানৰ সমীপৰ দৌল মন্দিৰ প্ৰাংগনত চৰাইৰ কৃত্ৰিম বাহ সংস্থাপন কৰে। এই কাৰ্যসূচীত থান পৰিচালনা সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দুখন খেলৰ প্ৰথমখনত মুম্বাই ইণ্ডিয়ানছে ডেলহী কেপিটেলছক জয়ৰ বাবে ২৩৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত অনুষ্ঠিত খেলখনৰ আৰম্ভণিতে মুম্বাই ইণ্ডিয়ানছে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটচ হেৰুৱাই ২৩৪ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দেলহী কেপিটেলছে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৫ অভাৰত ৩ টা উইকেট হেৰুৱাই ১৪৪ ৰাণ সংগ্ৰহ কৰে।

আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব।

০০০০

সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ অভিযান, ৰাজ্যত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হবলগীয়া ৫ টা লোকসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়নপত্ৰসমূহ পৰীক্ষাৰ অন্তত ৬২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা, অসম লোকসেৱা আয়োগৰ ২০১৩ বৰ্ষৰ পৰীক্ষাত সংঘটিত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটৰ প্ৰতিবেদন দাখিল, ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত ৰাজ্যৰ ২২ খন জিলাত ক্ষয়-ক্ষতিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যতো ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ পৰিছে। বিজেপি, কংগ্ৰেছকে ধৰি বিভিন্ন ৰাজনৈতিক দলে নিজা প্ৰাৰ্থীসকলৰ সমৰ্থনত প্ৰচাৰ চলাইছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিগত সপ্তাহত বহুকেইখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কালি ড০ শৰ্মাই তিতাবৰৰ বোকাহোলা চাহ বাগিচাত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমবেত ৰাইজক উদ্দেশ্যে দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলক বিশ্বৰ সন্মুখত পৰিচিত কৰিবলৈ ভালেমান পদক্ষেপ লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ ২৬ বাৰ অসম ভ্ৰমণে অসমৰ বিভিন্ন পৰ্যটনক্ষেত্ৰসমূহ বিশ্ববাসীক চিনাকি কৰাই দিয়া বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ৫ এপ্ৰিলত ডিব্ৰুগড় লোকসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিগবৈত বিজয় সংকল্প সমদলত অংশগ্ৰহণ কৰাৰ পাছত টিংখাঙৰ ঔগুৰিত অনুষ্ঠিত নিৰ্বাচনী সভাত প্ৰচাৰ অভিযান চলায়। ইফালে, কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে লখিমপুৰ লোকসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ জোনাইত নিৰ্বাচনী প্ৰচাৰ চলায়। ইফালে, কংগ্ৰেছ দলৰ হৈ যোৰহাট লোকসভা সমষ্টিত গৌৰৱ গগৈ, নগাওঁ লোকসভা সমষ্টিত প্ৰদ্যুৎ বৰদলৈ, ধুবুৰী লোকসভা সমষ্টিত ৰকিবুল হুছেইন, বৰপেটা লোকসভা সমষ্টিত দ্বীপ বায়ন, ডিব্ৰুগড় সমষ্টিত অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে বিগত সপ্তাহত বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০

ৰাজ্যত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হবলগীয়া ৫ টা লোকসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়নপত্ৰসমূহ যোৱা ৫ এপ্ৰিলত পৰীক্ষা কৰা হয়। পৰীক্ষাৰ অন্তত ৬২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে ৮ এপ্ৰিল।

০০০০

ৰাজ্যত সমাগত লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি নিৰ্বাচনত স্পৰ্শকাতৰ হিচাপে বিবেচিত হবলগীয়া ভোটকেন্দ্ৰসমূহত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে কেন্দ্ৰৰ ভিতৰে বাহিৰে চি এ পি এফ অৰ্থাৎ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ কৰা হব। তদুপৰি ই ভি এম সমূহ অনা নিয়া কৰা বাহনসমূহত জিপিএছ সংলগ্ন কৰি ৰখা হ'ব। এতিয়ালৈকে নিৰাপত্তা বাহিনীৰ ৬০ টা কোম্পানী নিয়োগৰ ব্যৱস্থা কৰা হৈছে আৰু আন্তৰাষ্ট্ৰীয় সীমান্তসমূহত জনসাধাৰণৰ আহ-যাহৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখা হৈছে। তদুপৰি জ্যেষ্ঠ নাগৰিক, সন্তানসম্ভৱা আৰু দিব্যাংগসকলক অপেক্ষা নকৰাকৈ ভোটদানৰ সুবিধা প্ৰদান কৰা হ'ব। আনহাতে, ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪৫ শতাংশতকৈ অধিক শাৰিৰীক প্ৰতিবন্ধকতা থকা লোকসকলে ইচ্ছা কৰিলে নিজৰ বাসগৃহৰ পৰা ভোটদান কৰিব পাৰিব। ইপিনে, ৰাজ্যখনত নিৰ্বাচন প্ৰযুক্তিৰ সহায়ত পৰিচালনাৰ বাবে আয়োগে ভালেমান অত্যাধুনিক ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ইৰোনেট নামৰ ছফট্‌ৱেৰ ব্যৱহাৰৰ উপৰি ৰাজ্যখনত নিৰ্বাচন আচৰণবিধি উলংঘাৰ ঘটনা পৰিলক্ষিত হোৱা মাত্ৰেই নিৰ্বাচন আয়োগক অৱগত কৰিবলৈ চি ভিজিল এপ জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। ভোটদান সৰ্বাত্মক কৰি তোলাৰ বাবে ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন ব্যৱস্থা লোৱা হৈছে।

০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যখনৰ কেইবাটাও লোকসভা সমষ্টিত নিৰ্বাচন আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যৱেক্ষক উপস্থিত হয়। তেওঁলোকে বিভিন্ন নিৰ্বাচনী জিলাৰ দায়িত্বৱাহী বিষয়াসকলৰ সৈতে মিলিত হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰু অগ্ৰগতিৰ বুজ লয়। আনহাতে, কেইবাগৰাকীও পৰ্যবেক্ষকে ৮৫ বৰ্ষৰ ঊৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলৰ বাবে ঘৰে ঘৰে সম্পন্ন কৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া পৰ্যৱেক্ষণ কৰে।

০০০০

ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত বিগত সপ্তাহত ৰাজ্যৰ ২২ খন জিলাত ক্ষয়- ক্ষতি হৈছে। চৰকাৰী তথ্য অনুসৰি ধুমুহা, বজ্ৰপাত আৰু নাও দুৰ্ঘটনাত কেবাগৰাকীও লোকৰ মৃত্যু হয়। মৃত্যু হোৱা লোকসকল কাছাৰ, পূব কাৰ্বি আংলং, ওদালগুৰি আৰু দক্ষিণ শালমাৰাৰ বুলি জানিব পৰা গৈছে।

০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিত চমু অৱলোকন।

০০০০

সমাপ্ত